# অসম বিধান সভা
# লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
# শুক্ৰবাৰ, ৭ মাৰ্চ, ২০২৫

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, তথ্য প্ৰযুক্তি,
বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্ত্তন, পাৰ্বত্য এলেকা
উন্নয়ন, পৰিবহণ, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথ্য
সংস্কৃতি, প্ৰত্নতত্ত্ব সঞ্চালকালয় আৰু পুথিভঁৰাল আৰু সংগ্ৰহালয় সঞ্চালকালয়,
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, ভূমি সংৰক্ষণ,
বড়োলেণ্ড কল্যাণ।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*বিষয় ঃ* আঁচনি সম্পৰ্কে

শ্ৰীছামছুল হুদা ঃ

২৯৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত ধুবুৰী জিলাত এই বিভাগৰ পৰা কি কি আঁচনিৰ অনুমোদন দিয়া হৈছিল, কিমান আঁচনি ৰূপায়ণ কৰা হ'ল আৰু কিমান টকা খৰচ কৰা হ'ল? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) যোৱা তিনিটা বিত্তীয় বছৰত ২৭ নং পূব বিলাসীপাৰা সমষ্টিত খেতি পথাৰত পানী দিয়াৰ কাৰণে কিমানটা Solar Tubel, Lift pump (AIBP Schemeৰ অধীনত পানী যোগান আঁচনি) বহুৱা হৈছে আৰু কিমান টকা খৰচ কৰা হ'ল? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) ২৭ নং বিলাসীপাৰা সমষ্টিৰ কিমান বিঘা মাটিত খৰালি কালত বিভাগৰ সহায়ত খেতিয়কে খেতি কৰি আছে? কি কি সুবিধা লাভ কৰি আছে? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* RPHCত ডাক্তৰ, নাৰ্চ নিয়োগ সম্পৰ্কে

শ্ৰীনজৰুল হক

২৯৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৩ নং ধুবুৰী বিধান সভা সমষ্টিৰ অধীনত পদ্মেৰ আলগা গাঁও পঞ্চায়তৰ অন্তৰ্গত কাতলামাৰী "RPHC" খনত ডাক্তৰ, নাৰ্চকে ধৰি কিমানজন কৰ্মচাৰী নিয়োজিত হৈ আছে?

(পদবী সহ কৰ্মচাৰীৰ নাম-ঠিকনা সদনত দাখিল কৰিব)

(খ) উক্ত RPHC খনত কিমান দিন ধৰি কি কি পদ খালী হৈ আছে? উক্ত খালী পদসমূহ বিভাগ বা চৰকাৰে কিমান দিনৰ ভিতৰত পূৰণ কৰিব?

(বিভাগ অনুযায়ী খালী পদৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

*বিষয় ঃ* আঁচনি সম্পৰ্কে

শ্ৰীযাদব স্বৰ্গীয়াৰী

৩০০। মাননীয় খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই বিভাগত কি কি আঁচনি হৈ আছে? তথ্য সহকাৰে সবিশেষ জনাব।

(খ) জনজাতি সকলৰ পৰম্পৰা লোক সংস্কৃতি সংৰক্ষণ আৰু প্ৰসাৰৰ পদক্ষেপ লৈছে নে? যদি লৈছে বিতংকৈ জনাব।

*বিষয় ঃ* চৰকাৰী/বেচৰকাৰী মাটি আবণ্টনৰ সম্পৰ্কে।

শ্ৰীবসন্ত দাস

৩০১। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙ্গলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত মোৱামাৰী গাঁও পঞ্চায়ত এলেকাত সৰ্বমুঠ কিমান বিঘা মাটি আছে, দাগ নং অনুসৰি লিখিত ৰূপত জনাব।

(খ) ইয়াৰে কিমান বিঘা মাটি চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানৰ নামত আবণ্টন দিছে জনাব।

(গ) উল্লেখনীয় পঞ্চায়ত এলেকাৰ কিমান মাটি PGR আৰু VGR হিচাপে সংৰক্ষিত? দাগ নং সহ পৰিমাণ জনাব।

(ঘ) যোৱা ০১-০১-২০১৬ চনৰ পৰা ৩১-১২-২০২৪ চনলৈ মোৱামাৰী গাঁও পঞ্চায়ত এলেকাভুক্ত কিমান মাটি ব্যক্তিগত মানুহৰ নামত ম্যাদী পট্টা প্ৰদান কৰি আবণ্টন দিছে, দাগ নং, আবণ্টিত মাটিৰ পৰিমাণ আৰু আবণ্টন পোৱা ব্যক্তিৰ নাম তালিকাসহ জনাব।

*বিষয় ঃ* আয়ুষ্মান ভাৰত আঁচনি

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

৩০২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত বৰ্তমান ৰাজ্যৰ কোন কেইখন চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰা হয়? বিগত সময়ত এই আঁচনিৰ ধন চিকিৎসালয়সমূহক আদায় দিবলৈ বাকী আছে নেকি? যদি বাকী আছে, তেন্তে কোন চিকিৎসালয়ক কিমান ধন দিবলৈ বাকী আছে তথ্য প্ৰদান কৰিব। ধন আদায় নিদিয়াৰ কাৰণ জনাব।

*বিষয় ঃ* ভূমি জৰীপ

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

৩০৩। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৫১ চনৰ এন আৰ চিত, ১৯৬৬

আৰু ১৯৭১ ৰ ভোটাৰ তালিকাত উল্লেখ থকা বৰপেটা জিলাৰ চেঙা ৰাজহ চক্ৰৰ মহিশখুটি ননকে আৰু কাৰাইখাইটি গাঁও দুখন বৰ্তমান বিলুপ্ত কৰা হৈছে নেকি? যদি হৈছে, কোনে কিদৰে এইখন গাঁও বিলুপ্ত কৰিছে? জিলা প্ৰশাসনৰ মেপ আৰু শেহতীয়া ভূমি জৰীপত এই গাঁৱৰ উল্লেখ নাই কিয়?

(খ) বিলাসীপাৰা মহকুমা এলেকাত কোন কেইখন গাঁৱত এতিয়া ভূমি জৰীপ চলি আছে? অগ্ৰগতিৰ তথ্য জনাব।

(গ) ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চৰুৱাবাহা আৰু বিলাসীপাৰা ৰাজহ চক্ৰৰ অধীনত চীনামাৰি (খুদীগাঁও পাৰ্ট-১) গাঁৱৰ যিসকলে ভূমিৰ পট্টা লাভ কৰিছে তেওঁলোকক এতিয়ালৈ যাৱতীয় নথি প্ৰদান নকৰাটো সত্যনে? যদি হয়, তেন্তে কাৰণ জনাব।

*বিষয় ঃ* **পথ দুৰ্ঘটনা**

শ্ৰীবিনোদ হাজৰিকা ঃ

৩০৪। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰৰ আকস্মিকভাৱে পথ দুৰ্ঘটনাত কোনো লোক থিতাতে মৃত্যু হ'লে সেই মৃতকৰ পৰিয়ালক এককালীনভাৱে আৰ্থিক সাহায্য প্ৰদান কৰা ব্যৱস্থা আছে নেকি?

(খ) যদি আছে, ডিব্ৰুগড় জিলাৰ অন্তৰ্গত চাবুৱা, লাহোৱাল, বহমৰীয়া ডিকম আৰু বিন্ধাকটা আৰক্ষী চকী/উপ আৰক্ষী চকীৰ অধীনত পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ নাম তালিকাসহ জনাব আৰু ইয়াৰ পৰা কিমানজনে উক্ত সাহায্য লাভ কৰিলে, জনাব।

*Sub.* : **Mariani ASTC complex**

Shri RUPJYOTI KURMI :

305. Will the Minister of Transport Department be pleased to state :

(a) Does the Government aware that the Mariani ASTC complex have been encroached and presently lying idle ?

b) If yes, will the Govt. take urgent step to encroach free the ASTC complex ?

c) Also, if yes, will the Government allot fund to build up a new modern complex and run the ASTC buses and other connected services from there ?

d) If yes, by when ?

*বিষয় ঃ* **বিভাগীয় আঁচনি**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৩০৬। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলাত ভূমি সংৰক্ষণ বিভাগৰ বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে যোৱা ১০ বছৰত কিমান পুঁজি মোকলাই দিয়া হৈছে?

(খ) উক্ত পুঁজিৰে ক'ত কি কি আঁচনিৰ কাম কৰা হৈছে? (বৰ্ষ ভিত্তিক খৰচৰ পৃথক হিচাপ দিব)

*Sub.* : **Allotment of land and ceiling surplus land in Goalpara district.**

ABDUR RASHID MANDAL :

307. Will the Minister of Revenue and Disaster Management Department be pleased to state :

(a) Please furnish the action taken reports on the minutes of District Land Advisory Committee Meeting of Goalpara district held in the month of November, 2006, proposal (5) allotment/settlement of land to individual at para (r) regarding allotment of land measuring 300 B OK OL covered by Dag No. 275, 276, 285, 286 of village Nidanpur Part-II under Lakhipur Revenue Circle in favour of 607 landless families out of the land previously reserved for ex-servicemen? Whether the above resolution is rejected or cancelled ? If yes, when and why ? If not, why the resolution is not executed till date ? Please furnish in details.

(b) How much areas of land were acquired by the Govt. under appropriate ceiling on land holdings Acts after independence till date in Goalpara district ? How much areas of such land are allotted to how many families in the district during the period ?

(c) Does the Government aware that thousands of families in Goalpara district are occupying ceiling surplus land for their homestead and cultivation purposes and they are not given myadi patta for their occupied land ? If yes, why ? Whether the Government will issue myadi patta to those families ? If not, why ? If yes, when ?

*বিষয় ঃ* **ৰেচন কাৰ্ড আৰু সুলভ মূল্যৰ দোকানীৰ ভাড়া সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৩০৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিত বৰ্তমানলৈকে কিমানটা পৰিয়ালৰ ৰেচন কাৰ্ড আছে আৰু বাকী থকা পৰিয়ালৰ ৰেচন কাৰ্ড কেতিয়া হ'ব, জনাবনে ?

(খ) গোটেই অসমৰ সুলভ মূল্যৰ দোকানীৰ বাবে মাহিলী কিবা ভাড়া দিয়া ব্যৱস্থা আছে নে ? যদি আছে, আজিলৈকে কিমান মাহৰ ভাড়া দিয়া হ'ল আৰু কিমান মাহৰ ভাড়া বাকী আছে আৰু বাকী থকা ভাড়াখিনি কিমান দিনৰ ভিতৰত দিয়া হ'ব ? অনুগ্ৰহ কৰি জনাব।

*বিষয় ঃ* **জনগোষ্ঠীৰ তালিকা**

শ্ৰীনিজানুৰ ৰহমান ঃ

৩০৯। মাননীয় খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কোন কোন জনগোষ্ঠীক খিলঞ্জীয়া জনগোষ্ঠী হিচাপে মৰ্য্যাদা প্ৰদান কৰা হৈছে, তাৰ তালিকা আৰু জনগোষ্ঠীসমূহৰ জনসংখ্যা জিলা ভিত্তিত সদনত দাখিল কৰিব।

(খ) দেশী জনগোষ্ঠীক অসম চৰকাৰে খিলঞ্জীয়া জনগোষ্ঠী হিচাপে মৰ্য্যাদা প্ৰদান কৰাৰ পিছত অসম চৰকাৰে জনগোষ্ঠীটোৰ জৰীপৰ কাম কিমান দূৰ আগবঢ়াই নিছে? তাৰ বিষয়ে সদনত অৱগত কৰিব।

(গ) দেশী জনগোষ্ঠীৰ কল্যাণৰ হকে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ বিষয়ে সদনত অৱগত কৰিব।

(ঘ) কমতাপুৰ স্বায়ত্ব পৰিষদৰ অন্তৰ্গত এলেকাত দেশীসকলৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থ-সামাজিক, ভূমিৰ অধিকাৰৰ লগতে আৰু অন্যান্য কি কি অধিকাৰৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে? তাৰ বিষয়ে সদনত অৱগত কৰিব।

*বিষয়ঃ* শূণ্য পদ পূৰণ

শ্ৰীনিজাম উদ্দিন চৌধুৰী ঃ

৩১০। মাননীয় স্বাস্থ্য বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার বিভিন্ন হাস্পাতালে M.B.B.S ও নার্স GNM, ANM কত পদ শূণ্য হয়ে পড়ে আছে? এই শূণ্য পদগুলো পূরণ করার জন্য সরকার কি কোন পদক্ষেপ নিয়েছে?

(খ) যদি নিয়ে থাকে, তবে কবে নাগাদ এই শূণ্য পদ পূরণ করা হবে?

*বিষয়ঃ* বুনিয়াদী স্বাস্থ্যকেন্দ্ৰ আৰু চৰাঞ্চলত উপ-স্বাস্থ্যকেন্দ্ৰ নিৰ্মাণৰ সম্পৰ্কে।

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

৩১১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে ঘোষণা কৰা বুনিয়াদী স্বাস্থ্য কেন্দ্ৰৰ অসমৰ কোন কোন জিলাত কিমান বুনিয়াদী স্বাস্থ্যকেন্দ্ৰৰ অনুমোদন কৰা হৈছে? তালিকা সহ সদনত উল্লেখ কৰিব।

(খ) ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিত কেইখন বুনিয়াদী স্বাস্থ্য কেন্দ্ৰৰ অনুমোদন কৰা হৈছে? নামৰ তালিকাসহ সদনত উল্লেখ কৰিব।

(গ) ধুবুৰী জিলাৰ অন্তৰ্গত গোলকগঞ্জ সমষ্টিৰ ৰতিয়াদাহ আদৰ্শ চিকিৎসালয়খনৰ পৰিচালনা সমিতিখন গঠন কৰা হৈছেনে? যদি হৈছে, কমিটীখন দাখিল কৰিব লগতে Guideline খনো উল্লেখ কৰিব আৰু যদি কমিটীখন গঠন হোৱা নাই, কেতিয়া গঠন হ'ব? জনাব।

(ঘ) গোলকগঞ্জ সমষ্টিৰ চিকিৎসালয়সমূহত কি কি পদ খালী হৈ আছে? চিকিৎসালয় অনুযায়ী খালী হৈ থকা পদসমূহৰ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(ঙ) National Rural Health Mission and Public Private Partnership ৰ অধীনত বৰ্তমান কিমানখন চৰ অঞ্চলক অন্তৰ্ভুক্ত কৰা হৈছে? National Rural Health Mission and Public Private Partnershipৰ অন্তৰ্ভুক্ত চৰাঞ্চলসমূহত চৰকাৰৰ কৰিবলগীয়া দায়িত্ব সমূহ কি কি?

(চ) গোলকগঞ্জ সমষ্টিত বৰ্তমান অসম চৰকাৰে নতুন কোনো চিকিৎসালয় অথবা স্বাস্থ্য উপকেন্দ্ৰ নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, তেন্তে ঠাইৰ নামসহ বিতংকৈ জনাব।

(ছ) উত্তৰ মৰাগদাধৰ অঞ্চলৰ অন্তৰ্গত কদমতলী বজাৰ (গংগাধৰ নদীৰ চৰাঞ্চল)ত উপ স্বাস্থ্যকেন্দ্ৰ এটা নিৰ্মাণৰ দীৰ্ঘদিনীয়া দাবীক সন্মান জনাই উক্ত অঞ্চলত এটা উপ স্বাস্থ্যকেন্দ্ৰ নিৰ্মাণৰ আঁচনি বিভাগে ল'বনে?

*বিষয় ঃ* **চিকিৎসালয় আৰু চিকিৎসকৰ অভাৱৰ সন্দৰ্ভত।**

শ্ৰীসুৰেন ফুকন ঃ

৩১২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ অন্তৰ্গত বুঢ়ীদিহিং মৌজাত এখনি সামূহিক স্বাস্থ্যকেন্দ্ৰৰ অতি জৰুৰীভাৱে প্ৰয়োজন। গতিকে বৃহত্তৰ অঞ্চলটোত এখন সামূহিক চিকিৎসা কেন্দ্ৰ নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি? (বিতংভাৱে জনাব)

(খ) টিংৰাই অঞ্চলৰ একমাত্ৰ টিংৰাই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোত চিকিৎসকৰ অভাৱৰ ফলত বহু সমস্যাই দেখা দিছে লগতে ৰোগীসকলে উপযুক্ত সেৱাৰ পৰাও বঞ্চিত হৈছে, এই বিষয়ে চৰকাৰ অৱগত নে?

(গ) যদি অৱগত, এই ক্ষেত্ৰত নতুন চিকিৎসক নিযুক্তি দিয়াৰ কিবা পৰিকল্পনা কৰিছে নেকি? (বিতংভাৱে জনাব)

(ঘ) ডিগবৈ অঞ্চলৰ ৰাইজৰ একমাত্ৰ চিকিৎসাৰ ভৰষাস্থলী ডিগবৈ সামূহিক চিকিৎসা কেন্দ্ৰটিত এটা আলট্ৰাচ'ন'গ্ৰাফী যন্ত্ৰৰ প্ৰয়োজনীয়তাৰ দীৰ্ঘদিনীয়া দাবীৰ ক্ষেত্ৰত বিভাগে কিবা ব্যৱস্থা লৈছে নেকি?

(ঙ) যদি লৈছে, কেতিয়ালৈ ইয়াক কাৰ্য্যক্ষম কৰি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছে? (বিতংভাৱে জনাব)

*বিষয় ঃ* **ফলংনি বোৱতি জলসিঞ্চন আঁচনি**

শ্ৰীমৃণাল শইকীয়া ঃ

৩১৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলং আৰু গোলাঘাট জিলাৰ সীমাত অৱস্থিত ফলংনি বোৱতি জলসিঞ্চন আঁচনিখন কিমান দিনৰ পৰা মৃত হৈ আছে?

(খ) এই আঁচনিখন কাৰ্য্যক্ষম হ'লে মৰঙি মৌজাৰ কিমান খেতিয়ক উপকৃত হ'ব?

(গ) এই কৃষক বন্ধু আঁচনিখন কাৰ্য্যক্ষম কৰিবৰ বাবে চৰকাৰে চিন্তা-চৰ্চা কৰিছে নেকি?

(ঘ) আঁচনিখন কাৰ্য্যক্ষম কৰিবৰ বাবে আনুমানিক কিমান টকাৰ প্ৰয়োজন হ'ব?

*বিষয় ঃ* **ক্ষতিপূৰণ**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৩১৪। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰাকৃতিক দুৰ্যোগৰ ফলত ২০২০ চনৰ পৰা আজিলৈকে কিমানজন মানুহ মৃত্যুবৰণ কৰিছে? প্ৰাকৃতিক দুৰ্যোগৰ ফলত মৃত্যুবৰণ কৰা ব্যক্তিসকলক চৰকাৰী ফালৰ পৰা কিবা ক্ষতিপূৰণ দিয়া হৈছেনে? গোৱালপাৰা পূব সমষ্টিত প্ৰাকৃতিক দুৰ্যোগৰ ফলত কিমানজনৰ মৃত্যু হৈছে? তাৰে কিমানজনে ক্ষতিপূৰণ পাইছে আৰু কিমান বাকী আছে? বাকী থকা সকলক কিমান দিনৰ ভিতৰত ক্ষতিপূৰণ দিব? তালিকাসহ তথ্য সহকাৰে জনাব।

(খ) পঞ্চৰত্নত অৱস্থিত Luit View Resort ৰ ভূমিখিনি কাৰ নামত আছে? এই মাটিৰ পৰিমাণ কিমান? তথ্য সহকাৰে জনাব।

(গ) Luit View Resort চৰকাৰী নিয়ম বা অনুমতিলৈ স্থাপন কৰিছে নেকি? যদি কৰা নাই, তেনেহ'লে এই Resort খন বন্ধ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি? যদি নকৰে কিয়? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **সোণাপুৰৰ ভূমি পট্টন**

শ্ৰীদুৰ্গাদাস বড়ো ঃ

৩১৫। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ মহানগৰৰ অন্তৰ্গত সোণাপুৰ ৰাজহ চক্ৰৰ পাণবাৰী মৌজাৰ আমেৰীগোগ ৰাজহ গাঁৱৰ দাগ নং ১৪৭,১৫৭ আৰু ১৬৫ অধীনত কিমান ভূমি আছে? সবিশেষ তথ্য দাখিল কৰিব।

(খ) উক্ত দাগ কেইটাৰ ভূমি স্থানীয় বাসিন্দা নোহোৱা স্বত্বেও নাৰায়ণ ঝুনঝুনৱালা, ময়ুৰ তালুকদাৰ, শুকমতা চাংমাই, বীৰেণ টুটলা আদি কোনো লোকৰ নামত পট্টন দিয়া হৈছে নেকি? যদিহে হৈছে, তেওঁলোকে কি কি নথি-পত্ৰ জমা দি মাটিৰ পট্টন পাইছিল? সেই সকলোবোৰ নথি-পত্ৰৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

(গ) উক্ত পট্টন দিয়া কাৰ্য্য ভুৱা আৰু জালিয়াতিৰে কৰা বুলি অভিযোগ উঠাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে? এই জালিয়াতিৰ বিৰুদ্ধে চৰকাৰে তদন্ত কৰিবনে?

(ঘ) উক্ত ভূ-খণ্ডৰ ভূমি আবণ্টন বিচাৰি আমেৰীগোগ মিশ্ৰ কৃষ্টি পাম আৰু একাংশ স্থানীয় লোকে আবেদন জনাইছিল নেকি? যদিহে জনাইছিল, তেনেহ'লে সকলো আবেদনকাৰীৰ নাম-ঠিকনা আৰু আবেদনৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

*বিষয় ঃ* **স্বাস্থ্য কেন্দ্ৰত চিকিৎসকৰ অভাৱ**

শ্ৰীমতী নন্দিতা দাস ঃ

৩১৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ নতুনকৈ গঠিত হোৱা ছমৰীয়া বিধান সভা সমষ্টিৰ সোনতলী CHC খন চৰকাৰীভাৱে কেতিয়া ঘোষণা তথা কাৰ্য্যক্ষম হৈছিল? এই CHC খনত দৈনিক কিমান সংখ্যক ৰোগী বহিঃবিভাগত স্বাস্থ্য পৰীক্ষাৰ বাবে পঞ্জীয়ন হয়?

(খ) এখন চৰকাৰী CHCত চৰকাৰী নিৰ্দেশনা অনুযায়ী কিমান সংখ্যক ডাক্তৰ, নাৰ্চ থকা প্ৰয়োজন আৰু তাৰ বিপৰীতে সোনতলী CHC ত বৰ্তমান কিমানজন ডাক্তৰ আৰু কিমানজনী নাৰ্চ আছে?

(গ) চৰকাৰী নিৰ্দেশনা অনুযায়ী সোনতলী CHC খনত ডাক্তৰ, নাৰ্চ নিযুক্তি দিয়া হৈছেনে?

(ঘ) যদি হোৱা নাই, এই বিষয়ে বিভাগে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **নতুন জলসিঞ্চন আঁচনি স্থাপন**

ড° অমিয় কুমাৰ ভূঞা ঃ

৩১৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহপুৰীয়া সমষ্টিত কৃষি পথাৰত নিয়মীয়া পানী যোগানৰ বাবে কি কি বৃহৎ আৰু ক্ষুদ্ৰ জলসিঞ্চন আঁচনি ৰূপায়ণ হৈ আছে? তেনেধৰণৰ আঁচনি কিমানখন কাৰ্য্যক্ষম হৈ আছে আৰু কিমানখন আঁচনি বিকল হৈ আছে? (সদনত জনাব)

(খ) বিহপুৰীয়া সমষ্টিত কৃষি পথাৰত নিয়মীয়া পানী যোগানৰ বাবে নতুনকৈ আৰু জলসিঞ্চন আঁচনি স্থাপনৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি কৰিছে আৰু কিমানটা তেনে আঁচনি স্থাপনৰ ব্যৱস্থা হাতত লৈছে? (সদনত জনাব)

(গ) নদীৰ পৰা পানী আনি কৃষিভূমিত দিয়াৰ বাবে বিভাগীয় ভাবে আঁচনি আছে নেকি? যদি

আছে, বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত নদীসমূহৰ পৰা জলসিঞ্চন আঁচনিৰ জৰিয়তে কৃষিভূমিত পানী যোগানৰ বাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি? যদি হোৱা নাই, তেতিয়াহ'লে নদীসমূহৰ পৰা জলসিঞ্চনৰ বাবে যাৱতীয় পৰিকল্পনা আৰু পদক্ষেপ ল'বনে?

*বিষয় ঃ* **ককয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এখন নতুন 'Ambulance' দিয়াৰ ব্যৱস্থা কৰা।**

শ্ৰীদিগন্ত বৰ্মন ঃ

৩১৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৩৮ নং বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ককয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত থকা এম্বুলেঞ্চ (Ambulance) খন দীৰ্ঘদিনৰ পৰা অচল হৈ থকাৰ বিষয়ে স্বাস্থ্য বিভাগ জ্ঞাতনে?

(খ) যদি জ্ঞাত, ককয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এখন নতুন এম্বুলেঞ্চ (Ambulance) দি ৰোগীসকলক ৰেফাৰেল হাস্পাতাললৈ লৈ যোৱাৰ ব্যৱস্থা কৰিবনে?

(গ) ককয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক FRU লৈ পৰিৱৰ্তন কৰি ৰাইজক উপকৃত কৰিবনে?

*বিষয় ঃ* **জন্ম, মৃত্যুৰ প্ৰমাণ পত্ৰৰ বিষয়ে**

শ্ৰীফণীধৰ তালুকদাৰ ঃ

৩১৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোমুৰা ক্ষুদ্ৰ চিকিৎসালয়ৰ নিৰ্মাণ হোৱাৰ দিনৰ পৰাই এই চিকিৎসা কেন্দ্ৰত জন্ম, মৃত্যুৰ প্ৰমাণ পত্ৰ দি অহা হৈছিল, কিন্তু যোৱা কেইমাহ মানৰ আগত এই চিকিৎসালয়খনত সেই সুবিধাখিনি নোহোৱা কৰা হৈছে। ইয়াৰ কাৰণ কি?

(খ) পুনৰ এই চিকিৎসালয়খনত সেই সেৱা আগবঢ়োৱা হ'ব নেকি? যদি হয়, কেতিয়াৰ পৰা পুনৰ এই সেৱা উপলব্ধ হ'ব?

*বিষয় ঃ* **আঁচনি সম্পৰ্কে**

শ্ৰীৰূপছিং টেৰণ ঃ

৩২০। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

এই বিভাগৰ বৰ্তমান কাম-কাজ কেনে অৱস্থাত আছে ? খাদী বোৰ্ডক সক্ৰিয় (Active) কৰি তুলিবৰ বাবে বৰ্তমান চৰকাৰৰ হাতত কি কি আঁচনি আছে?

*বিষয় ঃ* **সৰুপথাৰ সমষ্টিৰ ৰেংমা জলসিঞ্চন প্ৰকল্পৰ সন্দৰ্ভত।**

শ্ৰীবিশ্বজিৎ ফুকন ঃ

৩২১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসিঞ্চন বিভাগৰ দ্বাৰা ৰূপায়িত সৰুপথাৰ সমষ্টিৰ ৰেংমা জলসিঞ্চন প্ৰকল্পৰ কাম কিমান শতাংশ সম্পূৰ্ণ হ'ল?

(খ) এই কাম সম্পূৰ্ণ হ'লে কিমানখন গাঁৱৰ ৰাইজ উপকৃত হ'ব? অৱশিষ্ট কামখিনি সম্পূৰ্ণ কৰিবৰ বাবে পুঁজি আবণ্টনৰ কিবা পৰিকল্পনা চৰকাৰে লৈছে নেকি?

*বিষয় ঃ* **মেডিকেল কলেজ, হাইলাকান্দিৰ বিষয়ে।**

শ্ৰীজাকিৰ হুসেন লস্কৰ ঃ

৩২২। মাননীয় স্বাস্থ্য ও পরিবার কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বিগত দিনে আসামের মাননীয় মুখ্যমন্ত্রী হাইলাকান্দি সফরে গিয়ে ঘোষণা করেছিলেন যে আসামের অন্যতম পিছিয়ে পড়া হাইলাকান্দি জেলার

জনসাধারণের স্বাস্থ্য পরিসেবা উন্নিতির জন্য হাইলাকান্দি জেলায় মেডিকেল কলেজ স্থাপন করা হবে, জায়গা চিহ্নিত করা হয়েছে কি?

বিশদ জানানোর জন্য অনুরোধ করছি।

(খ) হাইলাকান্দি জেলায় মেডিকেল কলেজ স্থাপনের জন্য, জেলার কোন কোন জায়গার প্রস্তাব সরকারের কাছে এসেছে, তাহা সদনে জানানোর জন্য অনুরোধ করছি।

(গ) হাইলাকান্দি জেলায় ম্যাডিকেল কলেজ স্থাপনের কাজ কবে নাগাদ আরম্ভ করার পরিকল্পনা আছে? বিস্তারিত তথ্য জানাতে অনুরোধ করছি।

*বিষয় ঃ* **অসমৰ চিকিৎসালয়সমূহৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সৌন্দৰ্য্যবৰ্ধনৰ বিষয়ে।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

৩২৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰায় ভাগ চিকিৎসালয়ত থকা প্ৰসাৱগাৰ, শৌচাগাৰসমূহ অপৰিষ্কাৰ হোৱা হেতুকে ৰোগীসকলে অসুবিধাৰ সন্মুখীন হ'বলগা হৈছে। গতিকে সমগ্ৰ অসমৰ চিকিৎসালয়সমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ কাৰণে ব্যক্তিগত বা বেচৰকাৰী সংস্থাক এক Out source কৰি দায়িত্ব দিয়াৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে জনাব।

(খ) অসমৰ চিকিৎসালয়সমূহ ফুল-ফুলনি, গছ-গছনিৰে সৌন্দৰ্য্যময় কৰি তোলাৰ ব্যৱস্থা কৰিলে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ লগতে চিকিৎসালয় সমূহত থকা ৰোগীসকলৰ মানসিক সুস্থতাৰ বিকাশ ঘটিব। চৰকাৰে সমগ্ৰ অসমৰ চিকিৎসালয়সমূহত এনে ব্যৱস্থা কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবনে জনাব।

*বিষয় ঃ* **জলসিঞ্চন বিভাগৰ আঁচনি ৰূপায়ণৰ সন্দৰ্ভত।**

শ্ৰীৰমাকান্ত দেউৰী ঃ

৩২৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা বৰ্তমানলৈ মৰিগাঁও জিলাৰ লগতে মৰিগাঁও সমষ্টিত বিভাগে কি কি নতুন আঁচনি ৰূপায়ণ কৰিছে আৰু কি কি আঁচনি বৰ্তমানে অনুমোদন লাভ কৰিছে? উক্ত আঁচনিসমূহৰ কাম কোন কোন ঠিকাদাৰৰ নামত আবণ্টন দিয়া হৈছে আৰু বৰ্তমানে কিমান শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে তথ্য সহকাৰে সদনত জনাব।

(খ) মৰিগাঁও জিলাৰ লগতে মৰিগাঁও সমষ্টিত কিমানটা আঁচনি বৰ্তমানে অচল হৈ আছে? উক্ত আঁচনিসমূহ কাৰ্য্যক্ষম কৰাৰ ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে তথ্য সহকাৰে সদনত জনাব।

*বয়য় ঃ* **গ্ৰাম্য স্বাস্থ্য প্ৰশিক্ষণ কেন্দ্ৰ সম্পৰ্কত (চাবুৱা)।**

শ্ৰীপোনাকণ বৰুৱা ঃ

৩২৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্ব স্বাস্থ্য কেন্দ্ৰ হিচাপে পৰিচিত চাবুৱাস্থিত গ্ৰাম্য স্বাস্থ্য প্ৰশিক্ষণ কেন্দ্ৰটি কেতিয়া আৰু কোনে প্ৰতিষ্ঠা কৰিছিল? কেন্দ্ৰটিৰ বাবে কিমান মাটি আবণ্টিত হৈ আছে?

(খ) কি কি উদ্দেশ্য পূৰণৰ বাবে উক্ত কেন্দ্ৰটি নিৰ্মাণ কৰা হৈছিল? সবিশেষ জনাব।

(গ) বৰ্তমান উক্ত কেন্দ্ৰটিৰ দ্বাৰা কি কি কাৰ্য্য সম্পাদিত হৈ আছে?

(ঘ) সম্প্ৰতি কেন্দ্ৰটিৰ ঘৰ-দুৱাৰ, চিকিৎসালয়, হোষ্টেল, বাউণ্ডেৰী ৱাল আদি ভাঙি দুৰৱস্থা হৈ থকাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, ইয়াৰ মেৰামতিৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঙ) প্ৰতিষ্ঠাকালীন সময় আৰু তাৰ পৰৱৰ্তী সময়তো বিশ্ব স্বাস্থ্য কেন্দ্ৰ হিচাপে পৰিচিত অনুষ্ঠানটো পুনৰ উজ্জীৱিত কৰিবলৈ চৰকাৰে ব্যৱস্থা ল'বনে?

(চ) কেন্দ্ৰটিত চিকিৎসক, নাৰ্চ আৰু অন্যান্য কি কি পদ খালী হৈ আছে? পদসমূহ পূৰণৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

*বিষয় ঃ* **ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় স্থাপন**

শ্ৰীবলিন চেতিয়া ঃ

৩২৬। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

শদিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত এলেকাত ডুমডুমা ৰাজহ চক্ৰৰ অধীনত কিমানখন ৰাজহ গাঁও তথা অজৰীপকৃত গাঁও আছে, এইসমূহ গাঁও এলেকাক সামৰি এটা সুকীয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় স্থাপনৰ ক্ষেত্ৰত চৰকাৰে কিবা পদক্ষেপ লৈছে নেকি, যদি লৈছে কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব তাৰ বিষয়ে বিতংকৈ জনাব।

*বিষয় ঃ* **বিষয়া-কৰ্মচাৰী সম্পৰ্কে**

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

৩২৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসক, চিকিৎসা কৰ্মী আৰু অন্যান্য বিষয়া-কৰ্মচাৰী অনুমোদিত পদ কিমান আছে?

(খ) এই পদবোৰৰ কিমান পদ খালী হৈ আছে?

(গ) খালী হৈ থকা পদবোৰ কেতিয়া পূৰণ কৰা হ'ব সদনক জনাবনে?

*Sub.* : **Restoration timeline of Pagla FIS in Mazbat constituency.**

Shri CHARAN BORO :

328. Will the Minister of Irrigation Department be pleased to state :

The irrigation projects in the Mazbat constituency are in a lackluster condition, hampering the proper water supply to fields. Will the government take steps to restore the Pagla FIS ? If yes, when ?

*Sub.* : **RG etc,**

Shri SHERMAN ALI AHMED :

329. Will the Minister of Revenue and Disaster Management Department be pleased to state :

(a) In view of reply to unstarred QN 204 dated 30-08-2024, why the bank details of 86 beneficiaries are not received even after 9 years ?

(b) Would the Government be pleased to fix responsibility for such inordinate delay ?

(c) In view of said reply, whether documents of Saleha Khatun, Kutub Uddin and Tara Bhanu, children of Abdus Sattar of Paschim Moinbari are furnished and RG paid ? If not, why ?

(d) What action is taken in DC's letter no. BDM-21/2017/196 dated 16-03-2023 addressed to the Jt. Secy, R&DM ?

(e) The victims being burnt to ashes, how the said letter talk about PM report ?

(f) How many persons died of Covid and what amount of ex-gratia was paid to each ?

(g) As per said reply, a Covid fatality is entitled to Rs. 50,000/-whereas SDRF norms is Rs. 4.00 lakhs. Why Asia Begum, w/o Lt. Mohammad Ali is paid only Rs. 50,000/- ?

*Sub.* : **New developmental works.**

Shri JOLEN DAIMARY :

330. Will the Minister of Soil Conservation Department be pleased to state :

What are the developmental works being undertaken by department of soil Conservation in Tamulpur Constituency? If not undertaken any scheme, when will it be taken ? Please give details.

*বিষয় ঃ* **পৰিবহণৰ বাছ আস্থান সম্পৰ্কে**

শ্ৰীযাদৱ স্বৰ্গীয়াৰী ঃ

৩৩১। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত পৰিবহণ বিভাগত কিমান মাটি ব্যৱসায়ৰ বাবে লীজত দিয়া হৈছে? তথ্য সহকাৰে জিলা ভিত্তিত আৰু স্থানভেদে লীজৰ পৰিমাণ উল্লেখ কৰিব।

(খ) পৰিবহণ বিভাগৰ গোৱালপাৰা জিলাত ব্যৱহাৰ নোহোৱা বাছ আস্থানসমূহ লীজত বা ভাড়াত দিয়াৰ পৰিকল্পনা আছে নেকি? যদি আছে ক'ত ক'ত দিব পাৰে জনাব।

*বিষয় ঃ* **স্বাস্থ্য কেন্দ্ৰ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৩৩২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বছৰত অসমত বৰ্তমানলৈ কিমান মানুহ সৰ্প দংশনৰ ফলত মৃত্যু হৈছে? বিতং তথ্য দিব।

(খ) অসমত বৰ্তমান কিমানখন স্বাস্থ্য কেন্দ্ৰত সৰ্প দংশনত (Snake Bite) দিবলগীয়া ভেকচিন (Anti Venom) মজুদ আছে আৰু কিমানখন স্বাস্থ্য কেন্দ্ৰত মজুদ নাই? তথ্য দিব।

(গ) পুৰণি সৰুক্ষেত্ৰী বিধান সভা সমষ্টি আৰু বৰ্তমানৰ পকাবেতবাৰী বিধান সভা সমষ্টিত কিমানখন স্বাস্থ্য কেন্দ্ৰ আছে? এই স্বাস্থ্য কেন্দ্ৰসমূহত কিমান চিকিৎসক, নাৰ্চ তথা বিভিন্ন কৰ্মচাৰীৰ পদ খালী হৈ আছে আৰু কিমান চিকিৎসক, নাৰ্চ তথা বিভিন্ন কৰ্মচাৰী বেলেগত সংযুক্ত (Attachment) হৈ আছে? বিতং তথ্য দিব।

(ঘ) বেলেগত সংযুক্ত (Attachment) হৈ থকা কৰ্মচাৰী কেতিয়া নিজৰ কৰ্মস্থানলৈ উভতি আহিব?

(ঙ) ভক্তৰডবা আদৰ্শ চিকিৎসালয় কেতিয়া উন্নীতকৰণ কৰা হ'ব?

(চ) কয়াকুছিত থকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ কেতিয়া উন্নীতকৰণ কৰা হ'ব?

(ছ) অসমৰ বিভিন্ন চিকিৎসালয়ত মুঠ কিমানখন ICU বিছনা আছে? চিকিৎসা মহাবিদ্যালয় হিচাপে তালিকা দিব। ৰোগী অনুপাতে প্ৰয়োজনীয় ICU আছেনে? যদি নাই, প্ৰয়োজনীয় ICU বিছনা বৃদ্ধিৰ কিবা পৰিকল্পনা আছে নেকি? যদি আছে, কেতিয়া হ'ব?

*বিষয় ঃ* **জলসিঞ্চনৰ ব্যৱস্থা**

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

৩৩৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ কৃষি উপযোগী মুঠ ভূমি কিমান? কৃষি উপযোগী ভূমি সমূহৰ ভিতৰত কিমান বিঘা ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে ১২ মাহে খেতি কৰিব পৰাকৈ?

(খ) বিগত ২০২১ চনৰ মে' মাহৰ পৰা নতুনকৈ কিমান কৃষি ভূমিত জলসিঞ্চনৰ ব্য ৱস্থা কৰা হৈছে?

(গ) লাহৰিঘাট সমষ্টিত জলসিঞ্চনৰ ব্যৱস্থা থকা কৃষি ভূমি কিমান? নতুনকৈ সমষ্টিটোত কোন কোন অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব?

*বিষয় ঃ* **চিকিৎসা মহাবিদ্যালয়**

শ্ৰীতেৰছ গোৱালা ঃ

৩৩৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানখন চিকিৎসা মহাবিদ্যালয় আছে? চিকিৎসা মহাবিদ্যালয়সমূহ ক'ত ক'ত আৰু কেতিয়া স্থাপন হৈছে? সবিশেষ জনাব।

(খ) চিকিৎসা মহাবিদ্যালয়সমূহত অধ্যয়নৰ বাবে কি কি পাঠ্যক্ৰম আছে? কোনখন মহাবিদ্যালয়ত কোনটো পাঠ্যক্ৰমত কিমানখন আসন আছে? মহাবিদ্যালয়সমূহৰ বিপৰীতে সবিশেষ তথ্য দিব।

(গ) নিৰ্মীয়মান পাঠ্যক্ৰম আৰম্ভ নোহোৱা কিমানখন চিকিৎসা মহাবিদ্যালয় আছে আৰু ক'ত ক'ত আছে? ঠিকনাসহ সবিশেষ জনাব।

(ঘ) পাঠ্যক্ৰম আৰম্ভ হ'লে উক্ত চিকিৎসা মহাবিদ্যালয়সমূহত কিমান আসন থাকিব? মহাবিদ্যালয় ভিত্তিত সবিশেষ জনাব।

(ঙ) পাঠ্যক্ৰম আৰম্ভ হোৱা চিকিৎসা মহাবিদ্যালয়সমূহত কোন কোন জাতি-জনগোষ্ঠীৰ বাবে আসন সংৰক্ষণ আছে? সংখ্যাসহ সবিশেষ জনাব।

*বিষয় ঃ* **Major Irrigation Scheme ৰ কাম সম্পৰ্কে।**

শ্ৰীকৰিম উদ্দিন বৰভূঞা ঃ

৩৩৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সোনাই Major Irrigation Schemeত 799 কোটি টকা আবণ্টন দিয়া বুলি ১৫ আগষ্ট ২০২৪ ত চৰকাৰে ঘোষণা কৰিছিল যদিও আজিলৈকে কাম আৰম্ভ হোৱা নাই? এই বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত ইয়াৰ কাৰণ জনাব।

(খ) উক্ত Major Irrigationৰ কাম কেতিয়ালৈকে আৰম্ভ কৰিব?

*Sub.* : **Non activation of 10 Points ELIS.**

Shri SIRAJUDDIN AJMAL :

336. Will the Minister of Irrigation Department be pleased to state :

(a) Does the government know that a very large irrigation project, namely 10 Points ELIS installed in 2010, costing 1800 lakhs to irrigate about 2500 hectares in Binnakandi LAC, has not been fully activated till date ?

(b) If so, the reason thereof, and if not, the amount of land irrigated under these schemes in the current year and in the last three years ?

(c) Will the government take all the necessary measures to activate this irrigation scheme as soon as possible ?

(d) If not, the reasons thereof, and if so, what steps have been taken/to be taken give in detail?

*বিষয় ঃ* **বিভাগীয় আঁচনি**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৩৩৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৭ টা বিত্তীয় বছৰত নগাঁও আৰু মৰিগাঁও জিলাৰ কোন কোন সমষ্টিত বিদ্যুৎ চালিত আৰু সৌৰচালিত কিমান অগভীৰ নলী-নাদৰ আঁচনি ৰূপায়ণ কৰা হৈছে? কোন কোন ঠিকাদাৰ বা প্ৰতিষ্ঠানৰ জৰিয়তে কাম বিলাক কৰা হৈছে?

(খ) তাৰ ভিতৰত কিমান কাম সম্পূৰ্ণ হৈছে? (ব্যৱহাৰিক প্ৰমাণ পত্ৰ সহ তথ্য দিব)

*বিষয় ঃ* **ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আঁচনি সম্পৰ্কে ।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৩৩৮। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বিধান সভা সমষ্টিৰ অন্তৰ্গত যোৱা ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনলৈ চাৰিটা বিত্তীয় বৰ্ষত এই বিভাগৰ দ্বাৰা কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? বিত্তীয় বৰ্ষ অনুযায়ী আঁচনিসমূহৰ তালিকা সদনত দাখিল কৰিব।

(খ) যোৱা চাৰিটা বিত্তীয় বৰ্ষত উক্ত সমষ্টিত বানপানীৰ ফলত বিভিন্ন ৰাস্তা-ঘাট, ঘৰ-বাৰী, জীৱ-জন্তু আৰু অন্যান্য সা-সামগ্ৰী ক্ষতিগ্ৰস্ত হৈছিল। এই বিষয়ে বিভাগ অৱগতনে?

(গ) যদি অৱগত, তেন্তে এই চাৰিটা বিত্তীয় বৰ্ষত মুঠ কিমানটা ৰাস্তা-ঘাটৰ ক্ষয়-ক্ষতি হৈছিল আৰু তাৰে কিমানটা ৰাস্তা-ঘাটৰ মেৰামতিৰ কাম হৈছিল? বিত্তীয় বৰ্ষ অনুযায়ী তালিকা দাখিল কৰিব।

(ঘ) যিবিলাক ক্ষতিগ্ৰস্ত ৰাস্তা-ঘাট আজিলৈকে মেৰামতি হোৱা নাই সেই বিলাকৰ মেৰামতি বা নতুনকৈ বনাবলৈ বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে তাৰ সবিশেষ বিতংকৈ জনাব।

*Sub.* : **Ferry Services in Goalpara District.**

ABDUR RASHID MANDAL :

339. Will the Minister of Transport Department be pleased to state :

(a) With reference to the replies to unstarred question no-355 (a) dated 29-03-2023 regarding Ferry services,

Please furnish in details the actions taken for permanent settlement of Ferry Service over the River Brahmaputra from Chunari to Paglababa Thaan Dudhnath in Goalpara District. Whether the Ferry Services will be provided or not ? If yes, when? If not, why ?

(b) Please furnish in details about the present status and utilize of campuses of ASTC bus stands in Goalpara District with areas of land in each Bus Stations and amount of money being received from the tenants annually/monthly as rents/lease money. Whether the Government has any policy for utilization of the Campus/ Lands for better profit ? If yes, please furnish in details.

*বিষয় ঃ* SUHRID (Health & Education) **সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

৩৪০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

কিছু দিনৰ পৰা বন্ধ হৈ থকা SUHRID (Health & Education) আঁচনিটো পুনৰ আৰম্ভ কৰিবলৈ চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি ? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

*বিষয় ঃ* **সঠিক রূপায়নের তালিকা**

শ্ৰীনিজাম উদ্দিন চৌধুরী ঃ

৩৪১। মাননীয় মাটি সংরক্ষণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আলগাপুর বিধান সভা সমষ্টিতে Soil Conservation বিভাগে Silchar Division এর অধীনে হাইলাকান্দি Sub Division এ গত তিন বছরে চণ্ডীপুর MWC/ ভাঠিরকপা MWC/ দক্ষিণ বদরপুর MWC/ ওলিও হুব MWC এর যে Construction কমিটি ছিল, ঐ কমিটি গুলার দ্বারা কি কি কাজ বাস্তবায়ন হয়েছে?

(খ) বিভাগ অনুযায়ী Scheme এর তালিকা, পরিমান ও কাজের অবস্থান কি?

(গ) MB, MR, Bill-Voucher, FR-LT-le- ত কত-টাকা অর্থ প্রদান হয়? ভেণ্ডরের নাম ও প্রাক্কলন পরিকল্পনা কি? বিস্তারিত তথ্য সদনে জানানোর অনুরোধ জানাই।

*বিষয় ঃ* **বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্থায়ী চিকিৎসক নিযুক্তি সম্পৰ্কে।**

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

৩৪২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰুৱাছালি মৌজাত ৫২ খন ৰাজহ গাঁও আৰু ২০ খনৰো অধিক চাহ বাগিচা আছে। এই বৃহৎ মৌজাটোত মাত্ৰ এখন বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে। উক্ত চিকিৎসালয়ত তিনিটাকৈ স্থায়ী চিকিৎসকৰ খালী হৈ থকা পদসমূহ পূৰণ কৰিবলৈ বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) বৃহত্তৰ বৰহাট অঞ্চলত ৩০ খন বিছানাযুক্ত চিকিৎসালয় এখনৰ অতি প্ৰয়োজন। বিভাগে এই ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(গ) বৰহাট ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়খনৰ চিকিৎসক, নাৰ্চ, ফাৰ্মাচিষ্টৰ আৱাস গৃহসমূহৰ অৱস্থা জৰাজীৰ্ণ হৈছে। গতিকে বিভাগে এই আৱাস গৃহসমূহ মেৰামতি নতুবা পুনৰ নিৰ্মাণৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* Signature Project সম্পর্কিত

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৩৪৩। মাননীয় স্বাস্থ্য এবং পরিবার কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) Signature Project এর অধিনে বিহারা CHC উন্নতিকরন অর্থাত মডেল হাসপাতালে রুপান্তরিত করার কাজ ২০১৮-১৯ অর্থ বৎসরে ১০ (দশ) কৌটি অনুমোদিত হইয়াছিল এবং কাজ ও আরম্ভ হইয়াছিল। কিন্তু শেষে সামান্য কাজ যেমন বৈদ্যুতিকরণ ইত্যাদির জন্য ভবনটি উদঘাটন করা হইতেছে না। তাই গনদাবি হিসাবে বাকি অর্থ মঞ্জুর ও ভবনটি উদঘাটন কবে নাগাদ হবে তাহার তথ্য সদনে প্রদানের অনুরোধ জানাই।

(খ) কাঠিগড়া সমষ্টিতে কতটি কি কি ধরনের সরকারি হাসপাতাল আছে এবং এই সব হাসপাতালে ডাক্তার ও কর্মী সংখ্যা কত এবং বর্তমান কত আছে তাহার তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* মেডিকেলৰ সংখ্যা সম্পর্কে

শ্রীমানব ডেকা ঃ

৩৪৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) লখিমপুৰ জিলাত ২০ খন বিছনাযুক্ত মেডিকেলৰ সংখ্যা কিমান? এই সমূহ উন্নীতকৰণ বাবে কি পৰিকল্পনা হাতত লৈছে?

(খ) লখিমপুৰ জিলাৰ বগী নদী মেডিকেলত খালী থকা স্বাস্থ্য কৰ্মীসকলক কেতিয়া নিযুক্তি প্ৰদান কৰা হ'ব?

(গ) আশা কৰ্মীসকলৰ পাৰিতোষিক বৃদ্ধি কৰাৰ কথা কিবা চিন্তা কৰিছে নেকি?

*বিষয় ঃ* Katlicherra Irrigation Sub-Division at Sahabad.

শ্রীসুজাম উদ্দিন লস্কর ঃ

৩৪৫। মাননীয় জলসিঞ্চন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার তিনটি বিধান সভা সমষ্টিকে ডিলিমিটিশনের ফলে যথাক্রমে হাইলাকান্দি সমষ্টি ও আলগাপুর কাটলিছড়া সমষ্টিতে রূপান্তরিত করা হয়েছে এবং কিছু দিন পূর্ব আসাম সরকার কর্তৃক Notification জারী করে কাটলিছড়া Sub-Division কে বিলুপ্ত করে আলগাপুর Sub-Division বহাল রাখা হয়েছে যার ফলে কৃষকদের সমস্যার সম্মুখীন হতে হচ্ছে এই বিষয়ে সরকার অবগত আছে কি?

(খ) যদি অবগত থাকে, তবে এই কাটলিছড়া Sub-Division পূর্ণবহাল করার সরকারের কোন পরিকল্পনা আছে কি?

*বিষয় ঃ* V.G.R, P.G.R সংক্রান্তত

শ্রীপ্রদীপ হাজৰিকা ঃ

৩৪৬। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ V.G.R, P.G.R ৰ সংখ্যা কিমান আৰু মাটিকালিৰ পৰিমাণ কিমান? বিতং তালিকা দাখিল কৰিব।

(খ) উক্ত V.G.R, P.G.R সমূহত বেদখল হৈছে নেকি?

(গ) যদি হৈছে, কোন কোন V.G.R, P.G.R ত কিমান মাটি বেদখল হৈছে? সদনত জনাব।

(ঘ) এই বেদখলকাৰী সমূহৰ পৰা চৰকাৰে ৰাজহ সংগ্রহ কৰে নেকি?

*বিষয় ঃ* **ৰেচম উৎপাদন**

শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ

৩৪৭। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম **(Handloom, Textile and Sericulture)** বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চৰকাৰী খণ্ডত কিমানখন 'ৰেচম পাম' আছে জনাব।

(খ) এই ৰেচম পামৰ অধীনত কিমান মাটি আবণ্টিত হৈ আছে আৰু তাৰে কিমান মাটিত ৰেচম উৎপাদনৰ বাবে গছ আছে জনাব।

(গ) অসমৰ ৰেচম শিল্পৰ বাবে পাট-সূতা আৰু মুগা-সূতাৰ কি পৰিমাণৰ চাহিদা আছে জনাব। চাহিদা অনুযায়ী ৰাজ্যখনত কিমান পাট-সূতা আৰু মুগা-সূতা উৎপাদন হয় বিতংকৈ জনাব।

(ঘ) ৰাজ্যখনৰ চাহিদা পূৰাবলৈ আন ৰাজ্য বা দেশৰ পৰা পাট-সূতা আৰু মুগা-সূতা আমদানি কৰা হয় নেকি? যদি আমদানি কৰা হয়, তাৰ পৰিমাণ কিমান, জনাব।

Assam Government Press 45/25-LAQ-550-04-03-2025